# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 15-11-2024

**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

### *HEADLINES*

**- - - - - - - - - - - - -**

১। স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় মুক্তি আন্দোলনৰ নেতা বীৰছা মুণ্ডাৰ জয়ন্তী উপলক্ষে আজি জনজাতীয় গৌৰৱ দিৱস পালন। কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীৰ কেইবাটাও প্ৰকল্প উদ্বোধন।

২। নতুন দিল্লীত প্ৰথমবাৰৰ বাবে দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ আৰম্ভ। মহোৎসৱৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

৩। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ উদ্যোগত আজি শ্বিলঙত দ্বিতীয় উত্তৰ-পূব অসামৰিক বিমান পৰিবহণ সন্মিলন। সন্মিলনত অংশ লৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তৰ ৰাজ্যৰ বিমান পৰিবহণ খণ্ডৰ উন্নয়নৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ।

৪। আজি ৰাস পূৰ্ণিমা। ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশ। **আৰু**

৫। জোহান্সবাৰ্গত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল।

ooooo

দেশৰ স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় মুক্তি আন্দোলনৰ নেতা বীৰছা মুণ্ডাৰ জয়ন্তী উপলক্ষে স্বাধীনতা সংগ্ৰামত অগ্ৰণী ভূমিকা লোৱা জনজাতীয় মুক্তি যুঁজাৰুসকলৰ স্মৃতিত আজি **জনজাতীয় গৌৰৱ দিৱস** হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জমুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত অংশ লয়। এই অনুষ্ঠানেৰে ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকী উদযাপন পৰ্ব আৰম্ভ হৈছে। এই অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰ জনজাতি সম্প্ৰদায়ৰ ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। চৰকাৰে **প্ৰধানমন্ত্ৰী জনমন** আৰু **ধৰতী আবা জনজাতীয় উৎকৰ্ষ গ্ৰাম অভিযান** ৰূপায়ণৰ দ্বাৰা জনজাতীয় লোকসকলক প্ৰত্যক্ষভাৱে সুবিধা প্ৰদান কৰাতো নিশ্চিত কৰিছে বুলি তেওঁ কয়। এই অভিযানৰ অধীনত জনজাতীয় গাঁওসমূহৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৮০ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক জনজাতীয় সমাজৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী মোদীয়ে আজি এই অনুষ্ঠানত জনজাতি অধ্যুষিত জিলাসমূহত বীৰছা মুণ্ডা গৌৰৱ উপবন মুকলি কৰা হ'ব বুলি ঘোষণা কৰে।

**বাইট (পি এম)**

অসম চৰকাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰামত **জনজাতীয় গৌৰৱ দিৱস**ৰ আয়োজন কৰিছে। অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কাৰ্যসূচী উদ্বোধন কৰে। দেশৰ ২৯ খন ৰাজ্যৰ ১০০ খন জিলাত অনুষ্ঠিত এই দিৱস উপলক্ষে

কামৰূপ মহানগৰৰ হাহাৰা গাঁও পঞ্চায়ত কাৰ্যসূচী লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত চাবুৱাত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী মোদীয়ে বিহাৰৰ জমুই জিলাত অংশ লোৱা বীৰছা মুণ্ডা জয়ন্তী অনুষ্ঠানৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে সংযুক্ত হয়। নিজৰ ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, যে বীৰছা মুণ্ডাৰ জীৱন গাথাই সদায়েই দেশৰ জনসাধাৰণক শক্তি আৰু প্ৰেৰণা যোগাই আহিছে। এই অনুষ্ঠানত অসম চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰী, বিধায়ক প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত ডিফু ক্লাবত আজি **জনজাতীয় গৌৰৱ দিৱস** পালন কৰা হয়। এই উপলক্ষে জিলাখনৰ বিশিষ্ট শিল্পী সত্যেন্দ্ৰ তেৰাঙৰ লগতে বিভিন্ন উন্নয়ন খণ্ডৰ অধীনৰ হিতাধিকাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মংগল সিং টিমুং উপস্থিত থাকে।

গোৱালপাৰা জিলাতো এই দিৱসৰ লগতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত সচিবালয় প্ৰাংগণত আয়োজিত অনুষ্ঠানত শ্বহীদ তৰ্পণ, মাল্যাৰ্পণ আদিৰ লগতে অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

নতুন দিল্লীৰ কে ডি যাদৱ ৰেষ্টলিং ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিছু সময়ৰ পাছতে এই মহোৎসৱৰ উদ্বোধনী ভাষণ দিব। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লৈছে। কাইলৈ বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গে'টলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদিনা বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, প্ৰমুখ্যে বহুলোকে অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ উদ্যোগত আজি শ্বিলঙত দ্বিতীয় উত্তৰ-পূব অসামৰিক বিমান পৰিবহণ সন্মিলন অনুষ্ঠিত হয়। বিভাগীয় কেন্দ্ৰীয় মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৰ অধ্যক্ষতাত এই সন্মিলনৰ অংশ হিচাপে আয়োজিত **ৰাজ্যসমূহৰ দৃষ্টিভংগী** শীৰ্ষক বৈঠকত অসমৰ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দিয়া ভাষণত পৰিবহণ মন্ত্ৰীগৰাকীয়ে অসম তথা উত্তৰ-পূবত অসামৰিক বিমান পৰিবহণ খণ্ডৰ পৰিসৰ বৃদ্ধি আৰু বিকাশৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰে। তেওঁ ৰাজ্যখনৰ ৬টা বিমানবন্দৰৰ প্ৰতিটোৰ মাজত নিয়মীয়াকৈ অন্তঃৰাজ্যিক বিমানসেৱা প্ৰৱৰ্তনৰ লগতে বিমান ভাড়াৰ নিৰিখ হ্ৰাস কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। তদুপৰি অসমৰ পৰা বেংকক,

ঢাকা, ছিংগাপুৰ, কাঠমাণ্ডু আদি বিদেশী বিমানবন্দৰক সংযোগ কৰিব পৰাকৈ অধিকসংখ্যক নতুন আন্তঃৰাষ্ট্ৰীয় বিমানপথেৰে বিমানসেৱা আৰম্ভ কৰিবলৈও শ্ৰী মহন্তই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ইপিনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত দেশ-বিদেশৰ পৰ্যটকৰ সুবিধাৰ্থে হেলিপেড স্থাপনৰ বাবেও মন্ত্ৰীগৰাকীয়ে শ্ৰী নাইডুক অনুৰোধ জনাইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰিবহণ মন্ত্ৰীগৰাকীৰ এই প্ৰস্তাৱসমূহ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে বিবেচনা কৰিব বুলি আশ্বাস দিয়ে। সন্মিলনত মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াবৰ্গ, উত্তৰ-পূবৰ আঠাইকেইখন ৰাজ্যৰ পৰিবহণ বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু দেশৰ অসামৰিক বিমান পৰিবহণ খণ্ডৰ আগশাৰীৰ সংস্থাসমূহৰ শীৰ্ষ কাৰ্যবাহী আৰু উদ্যোগী তথা বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে।

ooooo

২০২৫ বৰ্ষত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ এখন ভুৱা সময়সূচী সামাজিক একাংশ মাধ্যমযোগে প্ৰচাৰ হৈ থকাটো দৃষ্টিগোচৰ হোৱাৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে এইক্ষেত্ৰত স্থিতি স্পষ্ট কৰিছে। ব'ৰ্ডৰ বিষয়ববীয়াই কয়, যে অহা বছৰত হ'বলগীয়া হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী এতিয়াও প্ৰকাশ কৰা হোৱা নাই। ব'ৰ্ডে এই সময়সূচী চূড়ান্ত কৰাৰ লগে লগে সকলো মাধ্যমতে ইয়াৰ প্ৰচাৰ কৰা হ'ব বুলি ব'ৰ্ডৰ সূত্ৰই প্ৰকাশ কৰে। আনহাতে সামাজিক মাধ্যমত সম্প্ৰতি প্ৰচাৰ হৈ থকা এই সময়সূচী ভুৱা বুলিও তেওঁলোকে স্পষ্ট কৰি দিয়ে।

ooooo

অসমৰ পৰ্যটন ক্ষেত্ৰলৈ নতুন আশাৰ ৰেঙণি কঢ়িয়াই অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ উদ্যোগত আজি সামুদ্ৰিক বিমানৰ এটা প্ৰদৰ্শনী উৰণ গুৱাহাটী মহানগৰীত অনুষ্ঠিত হয়। কানাডাৰ মেছাৰ্ছ ডি হেভিলেণ্ডৰ সহযোগত আয়োজন কৰা সামুদ্ৰিক বিমানৰ এই উৰণটোত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা সামুদ্ৰিক বিমানখনেৰে উৰা মাৰি মন্ত্ৰীগৰাকীয়ে পাণ্ডু ঘাটত অৱতৰণ কৰে। প্ৰদৰ্শনী উৰণটোৰ সামৰণিত তেওঁ সামুদ্ৰিক বিমানৰ পৰ্যটন সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰি সামাজিক মাধ্যমযোগে এই চমকপ্ৰদ অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে।

ooooo

আজি ৰাস পূৰ্ণিমা। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা জিলাত আজিৰে পৰা কেইবাখনো উল্লেখযোগ্য ৰাসৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত হাউলী, বৰপেটা ৰোড আৰু নগাঁৱৰ ৰাস মহোৎসৱ অন্যতম। উল্লেখযোগ্য যে হাউলী ৰাস মহোৎসৱে এইবাৰ ৯৭ সংখ্যক বৰ্ষত ভৰি দিছে। একেদৰে বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৪ সংখ্যক বছৰৰ বাবে আয়োজন কৰা হৈছে। যিহেতু পশ্চিম অসমত মূৰ্তিক কেন্দ্ৰ কৰি ৰাস পালন কৰা হয়, সেইবাবে ৰাসথলীসমূহত আকৰ্ষণীয়ভাৱে মৃণ্ময় মূৰ্তিসমূহ সজাই তোলা হৈছে। ৰাসৰ কাৰ্যসূচী সুচাৰুৰূপে উদযাপনৰ বাবে জিলা প্ৰশাসন আৰক্ষীয়ে বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে মঙলদৈতো সনাতন ধৰ্মসভাৰ প্ৰাংগণত দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। ধুবুৰী, বিলাসীপাৰা, শিৱসাগৰ, চাৰিং, তেজপুৰ, মৰিগাঁও, গোৱালপাৰা, বাক্সা, নলবাৰী ইত্যাদি ঠাইসমূহৰ পৰাও ৰাস উৎসৱ আয়োজনৰ খবৰ আমালৈ আহিছে। নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা মূৰ্তি আৰু মানৱীয় অভিনয়ৰ মাধ্যমেৰে শ্ৰীকৃষ্ণ ৰাসলীলা উপস্থাপন কৰা হৈছে। নুনমাটি, নিউ গুৱাহাটী, ওদালবাক্ৰা, ফটাশিল আমবাৰী, গড়চুক ইত্যাদি মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ কেইবাদিনীয়া কাৰ্যসূচীৰ আজি আৰম্ভ হৈছে।

অন্যহাতে মাজুলীৰ বিভিন্ন সত্ৰসমূহত কালিৰে পৰাই ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে যদিও আজিৰে পৰা দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী সকলো ৰংগমঞ্চতে ৰাসলীলা অভিনয়ৰ আৰম্ভ হ'ব।

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাজ্যৰ অন্যান্য ঠাইত ৰাসলীলা অভিনয়ত অতুল চন্দ্ৰ হাজৰিকাৰ সৃষ্টিক মূল আধাৰ হিচাপে লোৱা হৈ যদিও নগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব।

০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰৱ পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু, গুৰু নানকৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰপতিয়ে কয়, যে গুৰু নানকে সকলোকে কঠোৰ পৰিশ্ৰমৰ মাজেৰে আধ্যাত্মিকতাৰ পথ দেখুৱাইছে আৰু সত্য, সন্তুষ্টি, দয়া আৰু প্ৰেমৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াৰ কথা শিকাইছে। তেওঁ আৰু কয় যে গুৰু নানকৰ আদৰ্শ গ্ৰহণ কৰি এখন সুষম আৰু সমতাৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াতো সকলোৰে সামূহিক দায়িত্ব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গুৰু নানকৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰতি নিজৰ দায়িত্ববদ্ধতা দৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ মানুহক সত্য, সমন্বয় আৰু সকলো সত্বাৰ ঐক্যৰ নীতিৰ প্ৰতি উৎসৰ্গা কৰিবলৈ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা কৰে যে, গুৰু নানকৰ শিক্ষাই মানুহক মমতা, দয়া আৰু নম্ৰতাৰ মনোভাবেৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। তেওঁ কামনা কৰে যে ইয়াৰ দ্বাৰা মানুহ সমাজ সেৱাৰ প্ৰতি উদ্বুদ্ধ হৈ এখন নতুন পৃথিৱী গঢ়ি তুলিব।

দেশৰ আন আন প্ৰান্তৰ লগতে ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰু তেগ বাহাদুৰ চাহিব গুৰুদ্বাৰতো আজি পুৱাৰ পৰা উখল-মাখল পৰিৱেশ পৰিলক্ষিত হয়। এই উপলক্ষে অখণ্ড পাঠ, কীৰ্তন দৰবাৰ, গুৰুলংগৰ আদি কাৰ্যসূচী পালন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নানক জয়ন্তী উপলক্ষে ডিব্ৰুগড়ৰ শ্ৰী গুৰু সং সভা গুৰুদ্বাৰত উপস্থিত থাকে । কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৰু নানকৰ প্ৰেম, ভাতৃত্ববোধ আৰু মানৱতাবোধৰ অম্লান আদৰ্শই মানৱ সমাজৰ পথ প্ৰদৰ্শন কৰি যাব বুলি মন্তব্য কৰে। নগাঁও জিলাৰ বৰকলা গাঁৱৰ অসমীয়া শিখ সম্প্ৰদায়ৰ ব্যক্তিসকলেও আজি কেন্দ্ৰীয় গুৰুদ্বাৰত অসমীয়া পৰম্পৰাৰে প্ৰথমগৰাকী শিখ গুৰুৰ জন্মবাৰ্ষিকী উলহ-মালহেৰে আয়োজন কৰে। জিলাখনত গুৰু নানক জয়ন্তী উদযাপন সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদাতা মুনিন্দ্ৰ শইকীয়া—

***(ভইচ)***

এই উপলক্ষে অখণ্ডপাঠ, ধৰ্মালোচনী সভা আৰু গীত-মাতৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। হাফলঙতো উলহ-মালহেৰে গুৰু নানকৰ জন্মবাৰ্ষিকী পালন কৰা হয়।

০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা চমুকৈ ডি আৰ ডি অ'ই সম্প্ৰতি পিনাকা অস্ত্ৰ প্ৰণালীৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিছে। তাৎক্ষণিক সামৰিক প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তিনিটা পৰ্যায়ত সম্পূৰ্ণ কৰা পৰীক্ষণত অস্ত্ৰ প্ৰণালীৰ কাৰ্যকুশলতাৰ বিতংভাৱে পৰ্যৱেক্ষণ কৰা হয়। উল্লেখযোগ্য যে, পিনাকা বহুমুখী ৰকেট অস্ত্ৰ প্ৰণালীটো সম্পূৰ্ণ স্বদেশী প্ৰযুক্তিৰে নিৰ্মিত। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অস্ত্ৰ প্ৰণালীটোৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ'ক অভিনন্দন জ্ঞাপন কৰে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। ভাৰতে কিংছমিডত অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰাণত জয়লাভ কৰিছিল। ডাৰবানত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাজিত কৰিছিল। চেঞ্চুৰিয়ানত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰত ১১ ৰানত জয়ী হৈছিল।

০০০০০

বিশিষ্ট কণ্ঠশিল্পী তথা ভাস্কৰ্য শিল্পী ইভা দত্তৰ আজি দেহাৱসান ঘটে। লোকসংস্কৃতিৰ গৱেষক, সাহিত্যিক তথা সংগীতজ্ঞ প্ৰয়াত বীৰেন্দ্ৰ নাথ দত্তৰ সহধৰ্মীনি ইভা দত্তৰ মৃত্যুৰ সময়ত বয়স আছিল ৮২ বছৰ। দীৰ্ঘদিন ধৰি শাৰীৰিক ভাবে অসুস্থ হৈ থকা ইভা দত্তই মহানগৰীৰ এখন ব্যক্তিগত হাস্পতালত নিশা এক বাজি ৩০ মিনিটত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত দত্তৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰে।

০০০০০

সমাপ্ত